**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 4-04-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***::::::::::::::::::::::::::::::::::::::***

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আজি সামৰণি পৰে। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ ভিতৰত অসমৰ ৫টা সমষ্টি ক্ৰমে দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও আছে।

মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা আজি ৰাজ্যত কেইবাগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। নগাঁও লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা, মন্ত্ৰী পীযূষ হাজৰিকা, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, কেশৱ মহন্তকে ধৰি বহুকেইগৰাকী বিধায়ক উপস্থিত থাকে। আনহাতে দৰং-ওদালগুৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিলীপ শইকীয়াই আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে।

ইপিনে ৯ নম্বৰ নগাঁও সংসদীয় সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে আজি জিলা নিৰ্বাচনী ৰিটাৰ্ণিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। কৰিমগঞ্জ সমষ্টিৰ আই এন ডি আই মিত্ৰজোঁটৰ সমৰ্থিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী হাফিজ ৰছিদ আহমেদ চৌধুৰীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। এই মনোনয়ন পত্ৰ দাখিলৰ সময়ত জিলা কংগ্ৰেছৰ সভাপতি, প্ৰাক্তন সভাপতিকে ধৰি আন কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে। ডিফু লোকসভা সমষ্টিৰ পৰা গণ সুৰক্ষা সমিতিৰ প্ৰাৰ্থী জন বেনাৰ্ড ছাংমাই মনোনয়ন পত্ৰ দাখিল কৰে।

উল্লেখযোগ্য যে কাইলৈ মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ৮ এপ্ৰিল হ'ব মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন স্থানত শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে নগাঁৱৰ পানীগাঁও চাৰিআলিত থকা ডচন স্কুল খেলপথাৰত এখন নিৰ্বাচনী সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই সভাৰ পাছতে সুৰেশ বৰাই নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে আজি শোণিতপুৰ লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰঞ্জিত দত্তৰ হৈ ঢেকীয়াজুলিত প্ৰচাৰ চলায়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সবকা সাথ সবকা বিকাশ নীতিৰে দেশ আগবাঢ়ি গৈছে বুলি মন্তব্য কৰি কয় যে, এই সময়ছোৱাত দেশত শান্তি স্থাপন হোৱাৰ লগতে দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে চৰকাৰী সুবিধাসমূহ লাভ কৰিবলৈ সক্ষম হ'ল। আনহাতে বিত্ত মন্ত্ৰী অজন্তা নেওগে যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তপন গগৈৰ সমৰ্থনত বৰহোলা অঞ্চলৰ ঠায়ে ঠায়ে কেইবাখনো প্ৰচাৰ সভাত অংশ লয়।

বৰহোলা সোণোৱাল কছাৰী সাংস্কৃতিক বিকাশ কেন্দ্ৰত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত ভালেসংখ্যক কংগ্ৰেছ কৰ্মীয়ে বিজেপিত যোগদান কৰে। বিত্ত মন্ত্ৰীগৰাকীয়ে লগতে তিতাবৰ সমষ্টিৰ ৮৩ নম্বৰ নামচুঙি পঞ্চায়তত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত জিলা বিজেপিৰ সভাপতি হেমন্ত কলিতা, ঠেঙাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী প্ৰতাপ কছাৰীকে ধৰি অসম গণ পৰিষদৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

ইপিনে যোৰহাট সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি মাজুলীৰ নামনি আৰু পূব কলিতাপাৰ, নতুন চাপৰি, চেৰপাইখোৱা আদিকে ধৰি কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কাজিৰঙা লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়ে কলিয়াবৰৰ মিছাত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰাৰ লগতে মিছামুখ, হালোৱা গাঁও, শিলঘাট, কেলিডেন চাহ বাগিচা, শালনা আদি অঞ্চলত প্ৰচাৰ চলায়।

০০০০০

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। শিৱসাগৰ জিলাত নিৰ্বাচনী প্ৰস্তুতিৰ অংশ হিচাপে বিভিন্ন পৰ্যায়ত প'লিং, প্ৰিজাইডিং তথা সূক্ষ্ম পৰ্যবেক্ষক সকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। জিলাখনৰ ডিমৌ বিধানসভা সমষ্টিৰ ৪৮১টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু শিৱসাগৰ বিধানসভা সমষ্টিৰ ২৬৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ প্ৰস্তুতি অন্তিম পৰ্যায়ত উপনীত হৈছে। মহিলা সবলীকৰণৰ বাবে ভাৰতীয় নিৰ্বাচন আয়োগে হাতত লোৱা বিধি অনুযায়ী দুয়োটা বিধানসভা সমষ্টিৰ প্ৰত্যেকটে চাৰিটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত কৰাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে ভোটাৰসকলক সজাগ কৰাৰ লক্ষ্যৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গছপুলি ৰোপণ, আল্পনা অংকন আদিকে ধৰি বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে।

গোলাঘাট নিৰ্বাচনী জিলাত ভোটদাতাৰ সজাগতা বাবে ছুইফ্ কোষৰ উদ্যোগত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত বাটৰ নাট প্ৰদৰ্শনৰ জৰিয়তে ভোটদাতাসকলক ১৯ এপ্ৰিলত ভোটদান কৰিবলৈ আহ্বান জনোৱা হয়।

০০০০০

ঃসমাপ্তঃ